জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৫২/২০২২**

# ১৪.৮১ কোটি টকা ব্যয় সাপেক্ষ মহানগৰীত মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিলে 'অমৃত উদ্যান'

**দিছপুৰ, ২৩ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ হেঙেৰাবাৰীত বিভিন্ন সা-সুবিধা সম্পন্ন ১৪.৮১ কোটি টকা ব্যয় সাপেক্ষ ১৪ বিঘা ভূমিত নৱনিৰ্মিত 'অমৃত উদ্যান'খনৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে।

উল্লেখ্য যে মেচাৰ্চ নিৰ্মাণ নামৰ সংস্থাটোৱে মাত্ৰ এটা বছৰৰ ভিতৰতে এই উদ্যানখন নিৰ্মাণ কৰি উলিয়াই এক অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। বিগত বৰ্ষৰ আগষ্ট মাহত এই উদ্যানখনৰ নিৰ্মাণকাৰ্য আৰম্ভ হৈছিল। উদ্যানখন নিৰ্মাণৰ বাবে অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ পৰা ভূমি ক্ৰয় কৰা হৈছিল।

এই উদ্যানখনত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ জনজাতীয় নেতা তথা স্বাধীনতা সংগ্ৰামীসকলৰ পূৰ্ণাবয়ব মূৰ্তি স্থাপন কৰা হৈছে। এই স্বাধীনতা সেনানীসকলে ব্ৰিটিশ ঔপনেৱিশিক শাসনৰ পৰা ভাৰতক মুক্ত কৰাৰ বাবে যুঁজ দিছিল। আনকি তেওঁলোকৰ কেইজনমানে চৰম ত্যাগ পৰ্য্যন্ত কৰিবলগীয়া হৈছিল। তাৰ ভিতৰত মণিপুৰৰ মেইটেই ৰাজকুমাৰ বীৰ টিকেন্দ্ৰজিৎ সিঙে ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ বাবে ১৮৯১ চনত ফাঁচী কাঠত উঠিবলগীয়া হৈছিল।

তদুপৰি এই উদ্যানত ৰেষ্টুৰেণ্টৰ সৈতে বহু উপযোগী ভৱন, ধ্যান কেন্দ্ৰ, খোজকঢ়া পথ, ভিউয়িং ডেক্, সেউজ গৃহ, সুৰংগযুক্ত মুনব্ৰীজ, বহুৰঙী পানীৰ ফোৰাৰযুক্ত জলক্ষেত্ৰ, ৰোলাৰ স্কেটিং ৰিংক, গাড়ী ৰখাৰ সুবিধা আদি উপলব্ধ কৰা হৈছে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০০৩ চনত তেওঁ যেতিয়া গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছিল তেতিয়া চহৰখনক সৌন্দৰ্যবৰ্দ্ধনেৰে প্ৰকৃত অৰ্থত স্মাৰ্ট চিটিলৈ ৰূপান্তৰিত কৰাটো তেওঁৰ অন্যতম প্ৰধান অগ্ৰাধিকাৰৰ বিষয় আছিল। এই অমৃত উদ্যান মুকলি কৰাৰ লগতে সংহত যাতায়াত ব্যৱস্থাপনা প্ৰণালী মুকলি কৰাটো এই দিশত এক বৃহৎ পদক্ষেপ বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে গুৱাহাটীৰ ৰিভাৰ ফ্ৰণ্টৰ সৌন্দৰ্যবৰ্দ্ধনৰ কাম অব্যাহত আছে। মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা বছৰ মালিগাঁৱত অটল উদ্যান মুকলি কৰা হৈছিল। আজিৰ এই অমৃত উদ্যানকে ধৰি চহৰবাসীয়ে দুখন অতি উচ্চ মানদণ্ডৰ উদ্যান লাভ কৰিবলৈ সক্ষম হ'ল। তেওঁ লগতে কয় যে ফাঁচী বজাৰৰ পুৰণি কেন্দ্ৰীয় কাৰাগাৰ চৌহদত নিৰ্মাণৰত তৃতীয় খন উদ্ভিদ উদ্যান চলিত বৰ্ষৰ ডিচেম্বৰ মাহৰ ভিতৰত জনসাধাৰণৰ সেৱাৰ বাবে সাজু হৈ উঠিব।

আঠজন মহান জনজাতীয় লোকৰ পূৰ্ণাবয়ব মূৰ্তি স্থাপনৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়ে নতুন প্ৰজন্মৰ মাজত স্বদেশপ্ৰেমৰ ভাৱনা জাগ্ৰত কৰিব। তেওঁ লগতে কয় যে এই মহান স্বাধীনতা

সংগ্ৰামীসকলক ইয়াৰ জৰিয়তে উপযুক্ত স্বীকৃতিও প্ৰদান কৰা হৈছে।

সময় নিৰ্দ্ধাৰিতভাৱে এই কাম সম্পূৰ্ণ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে সংশ্লিষ্ট বিভাগসমূহক ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ কুইন ওজা, পৱিত্ৰ মাৰ্ঘেৰিটা, গুৱাহাটী উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

অঃহাঃ / পুঃডেঃ
**২৩/০৮/২০২২**